অধ্যায় ৬ ঃ ভাৰতত ৰাজহুৱা সেৱা সম্প্ৰচাৰ সেৱা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ ৰাজহুৱা সেৱা সম্প্ৰচাৰত ডিজিটেল প্ৰযুক্তিৰ প্ৰয়োগ
৬.৪ দূৰদৰ্শনৰ সেৱাৰম্ভ
৬.৫ দূৰদৰ্শনৰ সাংগঠনিক সংৰচনা
৬.৬ ৰাজহুৱা সেৱা সম্প্ৰচাৰক ৰূপে দূৰদৰ্শনৰ ভূমিকা
৬.৭ দূৰদৰ্শনৰ পাৰদৰ্শিতা মূল্যাংকন
৬.৮ ৰাজহুৱা সেৱা সম্প্ৰচাৰৰ সমস্যা
৬.৯ এটা উপযুক্ত ৰাজহুৱা সেৱা নীতি প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তা
৬.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.১১ অধিক জানিবলৈ
৬.১২ অগ্ৰগতিৰ খতিয়ান
৬.১৩ আৰ্হি প্ৰশ্ন

৬.১উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতত ৰাজহুৱা সেৱা সম্প্ৰচাৰৰ বিকাশ সম্পৰ্কে জানিব পাৰিব
- এটা ৰাজহুৱা সেৱা সম্প্ৰচাৰক হিচাপে দূৰদৰ্শনৰ ভূমিকা বৰ্ণনা কৰিব পাৰিব
- ৰাজহুৱা সেৱা সম্প্ৰচাৰত ডিজিটেল প্ৰযুক্তিৰব্যৱহাৰ সম্পৰ্কে জানিব

৬.২ পৰিচয়

এই অধ্যায়টিত আমি দূৰদৰ্শন সেৱাৰ আৰম্ভণি, ইয়াৰ সাংগঠনিক সংৰচনা আৰু ৰাজহুৱা সেৱা সম্প্ৰচাৰক হিচাপে দূৰদৰ্শনে পালন কৰা ভূমিকাৰ বিষয়ে আলোচনা কৰিম। অধ্যায়টিত আলোচনা কৰা আন দুটা গুৰুত্বপূৰ্ণ বিষয় হ'ল ৰাজহুৱা সেৱা সম্প্ৰচাৰত ডিজিটেল প্ৰযুক্তিৰ প্ৰয়োগ আৰু ভাৰতৰ দৰে দেশত ৰাজহুৱা সেৱা সম্প্ৰচাৰ ব্যৱস্থাটোৱে মুখামুখি হোৱা সমস্যাসমূহ।

৬.৩ ৰাজহুৱা সেৱা সম্প্ৰচাৰত ডিজিটেল প্ৰযুক্তিৰ প্ৰয়োগ

ৰাজহুৱা সেৱা সম্প্ৰচাৰত ডিজিটেল কম্প্ৰেশ্যন প্ৰযুক্তি ব্যৱহাৰ কৰা হয়। কাৰণ, এনলে'গ পদ্ধতিতকৈ এই ডিজিটেল পদ্ধতিটোত বেণ্ডৱিথ (bandwidth) কমকৈ ব্যৱহৃত হয়। প্ৰচাৰ

মাধ্যমবোৰৰ সমধৰ্মিতা (Convergence)ৰ বাবে অনুষ্ঠান প্ৰযোজনা, সংকেত প্ৰেৰণৰ আন্তঃগাঁথনি আৰু উৎকৃষ্ট চূড়ান্ত ফলাফল আদিৰ ক্ষেত্ৰত প্ৰযুক্তিগত অগ্ৰগতি লাভ কৰিব পৰা গৈছে। তথ্য আৰু সংযোগ প্ৰযুক্তিবোৰৰ তাৎপৰ্যপূৰ্ণ বিকাশ ঘটিছে। লাহে লাহে সম্প্ৰচাৰ,টেলি-সংযোগ আৰু মাল্টিমিডিয়া সেৱাবোৰৰ মাজৰ প্ৰভেদ অস্পষ্ট হ'বলৈ ধৰিছে। ৰাজহুৱা সেৱা সম্প্ৰচাৰ ব্যৱস্থা এটাই আগবঢ়াই থকা সেৱাবোৰক ডিজিটেল প্ৰযুক্তিয়ে কেইবাটাঢাপো আগবাঢ়ি যোৱাত সহায় কৰিছে। ডিজিটেল প্ৰযুক্তি হ'ল 'তৰংগ বৰ্ণালী পাৰদৰ্শী' (spectrum efficient)। সেয়েহে ই ডিজিটেল বিপ্লৱ সংঘটিত হোৱাৰ এক প্ৰধান কাৰকত পৰিগণিত হৈছে।

দূৰদৰ্শনৰ বেছিভাগ ছেনেলৰে চেটেলাইট সংকেত প্ৰেৰণ ব্যৱস্থাটো ডিজিটেল পদ্ধতিৰে পৰিচালিত। চেটেলাইউ ছেনেলবোৰৰ ডিজিটেলকৃত ৰূপৰ বাবে সংকেতৰ বাবে স্থান খণ্ডিতকৰম সামৰ্থ (Space segment capacity) যথেষ্টখিনি ৰাহি কৰিব পৰা গৈছে। এনাল'গৰ ক্ষেত্ৰত এটাট্ৰেন্সপোণ্ডাৰ (transponder)ৰ সহায়ত মাত্ৰ এটা ছেনেলৰ সংকেতহে প্ৰেৰণ কৰিব পৰা যায়। কিন্তু ডিজিটেল ব্যৱস্থাৰে এটা ট্ৰেন্সপোণ্ডাৰৰ জৰিয়তে পাঁচটা ছেনেলৰ সংকেত প্ৰেৰণ কৰা হয়। ডিজিটেল টেলিভিছন হ'ল ভৱিষ্যৎ। ই সংকেতৰ ব্যাঘাতহীন গ্ৰহণ (interference free reception) সম্ভৱ কৰি তোলাৰ লগতে ছবি আৰু ধ্বনিৰ মান যথেষ্ট উন্নত কৰি তুলিছে. এনাল'গ টেলিভিছন (analog television) ৰ তুলনাত ডিজিটেল টেৰেষ্ট্ৰিয়েল টেলিভিছন (DTT/ স্থলভাগেদি প্ৰেৰণ কৰা ডিজিটেল টেলিভিছন সংকেত)ৰ অসংখ্য সুবিধা আছে। যেনে, DTT ৰ জৰিয়তে একাধিক ছেনেলৰ সংকেত প্ৰেৰণ কৰিব পৰা যায়। এনে সংকেত অধিকাংশ সময়তে উন্নততৰ মানৰ আৰু প্ৰায় সকলো গ্ৰাহক যন্ত্ৰতে একেৰূপী মানৰ সংকেত গ্ৰহণ কৰা হয়। DTT ৰ সংকেত চলি থকা যান-বাহনৰ গ্ৰাহক যন্ত্ৰয়ো ধৰা পেলাব পাৰে আৰু এনে সংকেত গ্ৰহণকাৰী যন্ত্ৰবোৰক যথেষ্ট কম পৰিমাণৰ শক্তিৰ প্ৰয়োজন। ইয়াৰ উপৰি DTT হ'ল এটা উচ্চমানৰ তৰংগ বৰ্ণলী পাহদৰ্শী (highly Spectrum Efficient) ব্যৱস্থা। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইউনাইটেড কিংড'ম আৰু আন কেইবাখনো ইউৰোপীয়ান দেশত DTT ৰ সেৱা আৰম্ভ কৰা হৈছে। অষ্ট্ৰেলিয়া, জাপান আৰু চীনতো এই সেৱাৰ প্ৰচলন ঘটিছে। DTT মঞ্চৰ সহায়ত সম্প্ৰচাৰ সেৱা আৰম্ভ কৰিবলৈ প্ৰথম আৰু তৃতীয় বিশ্বৰ বহুকেইখন দেশে লাহে লাহে প্ৰয়োজনীয় পৰিৱৰ্তন ঘটাইছে। ভাৰতে DTT সেৱাৰ প্ৰচলন আৰম্ভ কৰিবলৈ DVB-T পদ্ধতিটো গ্ৰহণ কৰিছে। দেশত DTH সেৱাৰ বহুল সম্প্ৰচাৰ সম্ভৱপৰ কৰি তুলিবলৈ দূৰদৰ্শনে দিল্লী, মুম্বাই, ক'লকাতা আৰু চেন্নাইত পৰীক্ষামূলকভাৱে চাৰিটা ডিজিটেল ট্ৰান্সমিটাৰৰ সেৱা আৰম্ভ কৰিছে। দূৰদৰ্শন (DD)ৰ 'DD Direct Plus' নামৰ এটা বিনামূলীয়াকৈ সম্প্ৰচাৰিত DTH সেৱা আছে। DTH সেৱাই ডিজিটেল প্ৰযুক্তিৰ সহায়ত ইয়াৰ সংকেত প্ৰেৰণ কৰে। দূৰদৰ্শনৰ দশম পৰিকল্পনা কালত অনুষ্ঠান প্ৰযোজনা কৰা কেন্দ্ৰবোৰক সৰ্বাধিক গুৰুত্ব দিয়া হৈছিল। এই পৰিকল্পনাৰ অংশ হিচাপে দেশৰ ১৭ টা প্ৰধান দূৰদৰ্শন ষ্টুডিঅ'কেন্দ্ৰ সম্পূৰ্ণৰূপে ডিজিটেলাইজড্ কৰা হৈছিল। ইয়াৰ উপৰি ৩০ টা ক্ষুদ্ৰ ষ্টিডিঅ' কেন্দ্ৰ আংশিকভাৱে ডিজিটেলাইজড্ কৰি তোলা হৈছিল। একাদশ পৰিকল্পনা কালত OB, ENG আৰু প্ৰযোজনাৰ পৰৱৰ্তী পৰ্যায়ত ব্যৱহৃত সা-সুবিধাবোৰৰ লগতে দেশৰ আটাইবোৰ

ক্ষুদ্রতৰ ষ্টুডিঅ'ক সম্পূৰ্ণৰূপে ডিজিটেলাইজ্ড কৰাৰ কথা ভবা হৈছিল. অৱশ্যে বিষয়টোক প্রয়োজনীয় সমলৰ উপলব্ধতা নির্ভৰশীল কৰি ৰখা হৈছিল। ডিজিটেল প্রযুক্তিৰ সুবিধাবোৰ হ'ল- উৎকৃষ্ট মানৰ ছবি আৰু ধ্বনি, একাধিক ছেনেলৰ সংকেত একে সময়তে প্রেৰণ কৰিব পৰা ব্যৱস্থা, তৰংগ বর্ণালী পাৰদর্শিতা, শক্তি ৰাহিকাৰক, গ্রাহকৰ বাবে EPG আৰু একে সময়তে ভিডিঅ', অ'ডিও, মাল্টিমিডিয়া তথা ডেটা প্রেৰণৰ সামর্থ।

DTT ব্যৱস্থাৰ জৰিয়তে ডিজিটেলকৃত টেলিভিছন ছেনেলবোৰৰ সংকেত স্থলভাগৰ মাজেদি প্রেৰণ কৰা হয়। 'প্রসাৰ ভাৰতী'ৰ ৬৩০ টা DTT ট্রান্সমিটাৰ আছে। এই ট্রান্সমিটাৰকেইটাই আগৰ ৰচ্ছুৰপ্ত টা এনাল'গ ট্রান্সমিটাৰৰ স্থানত সেৱা আগবঢ়াব। DTT নেটৱ'র্ক এটা গঢ়ি তুলিবলৈ দূৰদর্শনে DVB-2/MPEG-4 মানৰ ব্যৱস্থাটে গ্রহণ কৰিছে। দ্বাদশ পৰিকল্পনা কালত দূৰদর্শনে দেশৰ আটাইবোৰ 'মেগা', 'টায়াৰ-II' আৰু 'টায়াৰ-III' শ্রেণীৰ নগৰ চহৰক সামৰি ল'ব পৰাকৈ ১৯০ টাতকৈও বেছি উচ্চ ক্ষমতাসম্পন্ন ট্রান্সমিটাৰ (HPT)তথা অন্য অঞ্চলবোৰৰ বাবে ৪০০টা নিম্ন ক্ষমতাসম্পন্ন ট্রান্সমিটাৰ (LPT) বহুওৱাৰ প্রস্তাৱ দিছিল। বর্তমান ডিজিটেল সংকেত প্রেৰণ নেটৱ'র্কৰ বাবে দূৰদর্শনে শেহতীয়া মানৰ MPEG-4/H.264, DVB-T2 আৰু DVB-S2 ব্যৱস্থা ব্যৱহাৰ কৰি আছে। ডিজিটেল সংকেত প্রেৰণ প্রযুক্তিৰ বিকাশ ঘটাৰ লগে লগে সম্প্রচাৰ প্রযুক্তি শৈলীতো নতুন ধাৰাৰ সূচনা হৈছে। বর্তমাম সম্প্রচাৰ প্রযুক্তি শৈলীৰ HDTV লৈ অৱস্থান্তৰ ঘটিছে, বিষয়বস্তু দর্শকৰ আগত IP Content delivery ব্যৱস্থাৰে উপস্থাপন কৰা হয়, চাহিদা অনুসৰি ভিডিঅ' পৰিৱেশন (Video on demand) কৰা হয়, আন্তঃক্রিয়া সম্পন্ন কৰাৰ সুবিধা আছে, ফাইল ভিত্তিক ৱ'র্কফ্লোৰ সুবিধা সংযোজিত হৈছে, টেইপবিহীন ব্যৱস্থাৰ প্রচলন ঘটিছে আৰু একে সময়তে একাধিক মঞ্চত অনুষ্ঠান সম্প্রচাৰৰ সুবিধা গঢ় লৈ উঠিছে।

৬.৪ দূৰদর্শনৰ সেৱাৰম্ভ

১৯৫৯ চনৰ ১৫ ছেপ্টেম্বৰত নতুন দিল্লীত নির্মিত এটা সৰু অস্থায়ী ষ্টুডিঅ' আৰু এটা সৰু ট্রান্সমিটাৰৰ সহায়ত ভাৰতৰ ৰাজহুৱা সেৱা সম্প্রচাৰক দূৰদর্শন (DD) এ ইয়াৰ অনুষ্ঠান সম্প্রচাৰ আৰম্ভ কৰিছিল। দূৰদর্শনে ১৯৬৫ চনৰ পৰা অল ইণ্ডিয়া ৰেডিঅ ()ৰ এটা অংশৰূপে নিয়মীয়া দৈনিক সম্প্রচাৰ সেৱাৰ পাতনি মেলিছিল। সেই বছৰ দূৰদর্শনে এখন পাঁচ মিনিট জোৰা সংবাদ বুলেটিন সম্প্রচাৰ কৰিছিল। প্রতিমা পুৰী আছিল দূৰদর্শনৰ প্রথমগৰাকী বাতৰি পঢ়োঁতা। তাৰপাছতেই ১৯৬৭ চনত দূৰদর্শনৰ সংবাদ পৰিৱেশকৰূপে চালমা চুলতানে কামত যোগ দিছিল। ১৯৭২ চনত বোম্বে আৰু অমৃতসৰত দূৰদর্শন কেন্দ্র স্থাপন কৰা হৈছিল। ১৯৭৫ চনলৈকে ভাৰতৰ মাত্র কেইখনমান নগৰ-চহৰতহে টেলিভিছন সেৱা সুলভ আছিল। সেই সময়খিনিত দূৰদর্শনেই আছিল টেলিভিছন সেৱা আগবঢ়োৱা একমাত্র প্রতিষ্ঠান। ইয়াৰ এবছৰৰ পাছতেই টেলিভিছন সেৱাক ৰেডিঅ' সেৱাৰ পৰা পথক কৰা হয়। দূগৰাকী পৃথক মহানির্দেশকৰ অধীনত দুয়োটা সেৱাই বেলেগে বেলেগে কাম কৰা আৰম্ভ কৰিছিল। ১৯৮২ চনৰ পৰা ৰাষ্ট্রীয় সম্প্রচাৰক ৰূপে দূৰদর্শনে আত্মপ্রকাশ কৰিছিল।

সংবাদ বুলেটিনৰ পাছতেই দূৰদৰ্শনে সম্প্ৰচাৰিত কৰা প্ৰথম অনুষ্ঠানটো আছিল 'কৃষিদৰ্শন'। ১৯৬৭ চনৰ ২৬ জানুৱাৰীতপোন প্ৰথমবাৰৰ বাবে সম্প্ৰচাৰিতএইটো হ'ল ভাৰতীয় টেলিভিছনৰ সৰ্বাধিক দিনৰ বাবে সম্প্ৰচাৰিত হৈ থকা অনুষ্ঠানবোৰৰ এটা। ১৯৭৭ চনত দেশৰ ১০০ মিলিয়নতকৈও অধিক বাসিন্দাক টেলিভিছন সেৱাৰযোগান ধৰাটো সম্ভৱপৰ কৰি তোলাৰ উদ্দেশ্য আগত ৰাখি জয়পুৰ, হায়দৰাবাদ, ৰায়পুৰ, গুলবৰ্গা, চম্ভলপুৰ আৰু মুজাফ্ফৰপুৰত টেৰেষ্ট্ৰিয়েল ট্ৰান্সমিটাৰ বহুওৱা হৈছিল। প্ৰথম অৱস্থাত দূৰদশছনৰ দ্বাৰা সম্প্ৰচাৰিত জনপ্ৰিয় টেলিভিছন শ্বো কেইটামান হ'ল- হমলোগ, য়ে জো হ্যে জিন্দগী, বুনিয়াদ, ৰামায়ণ, মহাভাৰত, শক্তিমা, ভাৰত একখোজ, চিত্ৰহাৰ, কৰমচান্দ, ভ্যোমকেশ বক্সী, বিক্ৰম অউৰ বেতাল, মালগুড়ি ডেইজ, ওশ্বিন (এখন জাপানীটেলিভিছন ধাৰাবাহিক), জাংগল বুক,দ্য পীকক কলচ্ এণ্ড য়ুনিভাৰ্চিটি গাৰ্লচ্ (তথ্যচিত্ৰ) আদি।

১৯৮২ চনৰ ১৫ আগষ্টত তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে স্বাধীনতা দিৱস উপলক্ষে দিয়া ভাষণৰ পোনপটীয়া ৰঙীন সম্প্ৰচাৰ কৰি দূৰদৰ্শনে ভাৰতীয় বজাৰত ৰঙীন টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ সেৱাৰ পাতনি মেলিছিল। তাৰপাছত দূৰদৰ্শনে সেই বছৰতে দিল্লীত আয়োজিত এচিয়ান গে'মচ্ৰ ৰঙীন সম্প্ৰচাৰ কৰিছিল। বৰ্তমান ভাৰতৰ ৯০ শতাংশতকৈও অধিক বাসিন্দাই ১৮১৬ টাতকৈও অধিক টেৰেষ্ট্ৰিয়েল ট্ৰান্সমিটাৰৰসাহয়ত দূৰদৰ্শন (DD National)ৰ অনুষ্ঠান উপভোগ কৰিব পাৰে।

বৰ্তমান দূৰদৰ্শনে ৩৪ টা ছেনেলৰ সহায়ত অনুষ্ঠান সম্প্ৰচাৰ কৰে। ইয়াৰে 'DD National' আৰু 'D D News' ছেনেল দুটা সৰ্বভাৰতীয় পৰ্যায়ৰ। ইয়াৰ উপৰিও দূৰদৰ্শনৰ ১৬ টা আঞ্চলিক চেটেলাইটছেনেল আৰু এটা স্পোটৰ্চছেনেল, ১১ টা ৰাজ্যিক নেটৰ'ৰ্ক, 'DD Bharali DD Urder আৰু DD Kisan ৰ লগতে DD India নামৰ এটা আন্তঃৰাষ্ট্ৰীয় ছেনেল আছে।

আঞ্চলিক ভাষাৰ চেটেলাইট ছেনেলবোৰক দুটা ভাগত ভাগ কৰা হয়। সংশ্লিষ্ট ৰাজ্যৰ বাবে থকা আঞ্চলিক সেৱা তথা কেবল্ অপাৰেটৰৰ জৰিয়তে আগবঢ়োৱা আঞ্চলিক ভাষাৰ অনুষ্ঠান সম্প্ৰচাৰক ছেনেল। সকলো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া প্ৰতিযোগিতা সম্প্ৰচাৰ কৰা দূৰদৰ্শনৰ একমাত্ৰ ছেনেলটো হ'ল DD Sports। এই ছেনেলটোৱে আন কোনো ব্যক্তিগত টেলিভিছন ছেনেলে সম্প্ৰচাৰ নকৰা কিন্তু ভাৰতৰ গ্ৰামাঞ্চলত জনপ্ৰিয় 'খো-খো' আৰু 'কাবাডী'ৰ দৰে ক্ৰীড় প্ৰতিযোগিতাবোৰো সম্প্ৰচাৰ কৰে।

৬.৫ দূৰদৰ্শনৰ সাংগঠনিক সংৰচনা

দূৰদৰ্শনে 'প্ৰসাৰ ভাৰতী' (ভাৰতীয় সম্প্ৰচাৰ নিগম) ৰ অধীনত কাম কৰে। 'প্ৰসাৰ ভাৰতী' হ'ল দেশৰ ৰাজহুৱা সেৱা সম্প্ৰচাৰক আৰু 'আকাশবাণী' তথা 'দূৰদৰ্শন' ইয়াৰ অংশ। কাৰ্যবাহী সদস্যসকলে নিগমৰ মুখ্য কাৰ্যবাহী বিষয়া ৰূপে কাৰ্যসম্পাদন কৰে। মহানিৰ্দেশকসকলে অল ইণ্ডিয়া ৰেডিঅ' মহানিৰ্দেশালয় আৰু দূৰদৰ্শন মহানিৰ্দেশালয়ৰ মুৰব্বী ৰূপে কাৰ্যনিৰ্বাহ কৰে।

দূৰদৰ্শনৰ মহানিৰ্দেশক গৰাকীয়ে ৬৭ টা দূৰদৰ্শন কেন্দ্ৰ, তদাৰককাৰী কেন্দ্ৰ আৰু সকলোবোৰ উচ্চ-নিম্ন ক্ষমতাসম্পন্ন ট্ৰান্স মিটাৰৰ সামগ্ৰিকচোৱা-চিতাৰ দায়িত্ব পালন কৰে। দূৰদৰ্শনৰ প্ৰধান কাৰ্যবিভাগ চাৰিটা অনুষ্ঠান (Programme), সংবাদ (News), অভিযান্ত্ৰিক (Engineering), প্ৰশাসন আৰু বিত্ত (Administration and Finance) । অনুষ্ঠান বিভাগে অনুষ্ঠান এটাৰ ধাৰণা গঢ় দিয়াৰ পৰা অনুষ্ঠান প্ৰযোজনা আৰু ৰাষ্ট্ৰীয়, আঞ্চলিক তথা স্থানীয় স্তৰত অনুষ্ঠান সম্প্ৰচাৰলৈকে সকলোবোৰ কাম-কাজ পৰিচালনা কৰে। সংবাদ বিভাগে ৰাষ্ট্ৰীয় তথা আঞ্চলিক স্তৰত সংবাদ বুলেটিন আৰু অন্য সাময়িক প্ৰসংগৰ অনুষ্ঠান প্ৰস্তুতৰ পৰা আৰম্ভ কৰি সম্প্ৰচাৰলৈকে আটাইবোৰ দিশ পৰিচালনা কৰে। অভিযান্ত্ৰিক বিভাগে সংকেতৰ স্থান খণ্ডিতকৰণৰ পৰা আৰম্ভ কৰি ষ্টুডিঅ' স্থাপনকে ধৰি সমগ্ৰ নেটৱৰ্কটোৰ সকলো ধৰণৰ হাৰ্ডৱেৰ প্ৰয়োজনীয়তা পূৰণ কৰে। প্ৰশাসন আৰু বিত্ত বিভাগে সাধাৰণ প্ৰশাসন, ব্যক্তিগত ব্যৱস্থাপনা, বাজেট তথা পৰিকল্পনা সমন্বয় বিষয়ক কাম-কাজবোৰৰ তদাৰক কৰে।

দূৰদৰ্শনৰ মহানিৰ্দেশকগৰাকী হ'ল অনুষ্ঠান আৰু প্ৰশাসন বিভাগৰ মুৰব্বী। তেওঁৰ প্ৰধান কাম হ'ল বিভাগ দুটাৰ তত্বাৱধান লোৱা, দিক্-নিৰ্দেশনা প্ৰদান কৰা, শাসন কৰা আৰু সমগ্ৰ কাম-কাজ নিয়ন্ত্ৰণ কৰা। তেওঁক সহায় কৰিবলৈ তলত উল্লেখ কৰা বিষয়াসকল থাকে-

- অতিৰিক্ত মহানিৰ্দেশক আৰু উপ-মাহনিৰ্দেশক (সংবাদ তথা সাময়িক প্ৰসংগ)
- উপ মহানিৰ্দেশক (সংবাদ তথা সাময়িক প্ৰসংগ)
- উপ মহানিৰ্দেশক (সংযোগ আৰু কথাছবি)
- উপ মহানিৰ্দেশক (অনুষ্ঠান প্ৰযোজনা আৰু সম্প্ৰচাৰ)
- নিৰ্দেশক (বিত্ত তথা ব্যক্তিগত নিয়ন্ত্ৰণ)

অতিৰিক্ত মহানিৰ্দেশক গৰাকীয়ে সংবাদ আৰু সাময়িক প্ৰসংগৰ অনুষ্ঠানসমূহ, অনুষ্ঠান নীতি, অনুষ্ঠান সমন্বয়ৰক্ষী, পৰিকল্পনা, জনসম্পৰ্ক ৰক্ষা আদি দিশ চোৱাচিতা কৰে। অতিৰিক্ত মহানিৰ্দেশকৰ পদটো ভাৰত চৰকাৰৰ যুটীয়া সচিব পদৰ সমতুল্য। তেওঁক অনুষ্ঠান নিয়ন্ত্ৰণ (নীতি), অনুষ্ঠান নিয়ন্ত্ৰণ (সমন্বয় সাধন), অনুষ্ঠান নিয়ন্ত্ৰক (অগ্ৰগতি) আৰু জনসম্পৰ্কৰক্ষী বিষয়াসকলে সহায় কৰে।

উপ মহানিৰ্দেশকে কোনো এটা অনুষ্ঠানৰ উপযুক্ত আৰু ক্ৰমিক অগ্ৰগতিৰ দিশটো চোৱাচিতা কৰে। তেওঁক নিৰ্দেশক, দৰ্শক গৱেষণা গোট,অনুষ্ঠান নিয়ন্ত্ৰক(অগ্ৰগতি) আৰু অনুষ্ঠান উপ-নিয়ন্ত্ৰক বিষয়াসকলে সহায় কৰে। উপ মহানিৰ্দেশক (সাময়িক প্ৰসংগ) গৰাকীয়ে সংবাদ সংগ্ৰহ, সংবাদ বাছনি, সংবাদ মূল্যায়ন আৰু সংবাদ উপস্থাপনৰ সৈতে জড়িত প্ৰশাসনীয় দিশবোৰচোৱাচিতা কৰে। উপ ম্হানিৰ্দেশক (সংযোগ আৰু কথাছবি) গৰাকীয়ে প্ৰতিষ্ঠানটোৰ সমগ্ৰ সংযোগ প্ৰক্ৰিয়াৰ তদাৰক কৰে। তেওঁক অনুষ্ঠান নিয়ন্ত্ৰক (সংযোগ) আৰু অনুষ্ঠান উপ-নিয়ন্ত্ৰক (কথাছবি) দুগৰাকীয়ে সহায় কৰে। উপ মহানিৰ্দেশক (অনুষ্ঠান প্ৰযোজনা আৰু সম্প্ৰচাৰ) গৰাকীয়ে অনুষ্ঠান প্ৰয়োজনা আৰু সম্প্ৰচাৰৰ সৈতে জড়িত সকলোবোৰ কাম-কাজ পৰিচালনা কৰে। এই বিশাল দায়িত্ব সমাধা কৰাত তেওঁক প্ৰশাসন বিভাগৰ উপনিৰ্দেশকে প্ৰয়োজনীয় সহায় আগবঢ়ায়। নিৰ্দেশক (বিত্ত

আৰু ব্যক্তিগত নিয়ন্ত্ৰণ) গৰাকীয়ে বিত্তীয় কাম-কাজ তথা ব্যক্তিগত কাৰ্য পৰিচালনা তথা নিয়ন্ত্ৰণ কৰে। অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী মুখ্য অভিযন্তাগৰাকী সকলোবোৰ অভিযান্ত্ৰিক তথা কাৰিকৰী কাম-কাজৰ অগ্ৰগতি আৰু তদাৰকৰ বাবে জবাবদিহি। তেওঁক অভিযান্ত্ৰিক বিভাগৰ নিৰ্দেশক (তদাৰক আৰু INSAT, প্ৰকল্প আৰু বাজেট, আৰ্হি অধ্যয়ন আৰু ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠানৰ সৈতে সমন্বয় সাধন, টেলি-টেক্সট্, সামগ্ৰী ক্ৰয়, অগ্ৰগতি তথা বাজেট, পূৰ্বানুমান আৰু NLF, ট্ৰান্সমিটাৰৰ আৰ্হি প্ৰস্তুত) গৰকীয়ে সহায় কৰে।

ওপৰত উল্লেখ কৰা শীৰ্ষ বিষয়াসকলৰ উপৰি দূৰদৰ্শনতআন বহুতো কৰ্মচাৰী থাকে যিসকলে অনুষ্ঠানৰ প্ৰাক্-প্ৰযোজনা, প্ৰযোজনা আৰু প্ৰযোজনাৰ পৰৱৰ্তী কাম-কাজ বোৰ সমাধা কৰাত সহায় কৰে। এনে কেইগৰাকীমান অন্য বিষয়া-কৰ্মচাৰী হ'ল অনুষ্ঠান প্ৰযোজক, অনুষ্ঠান কাৰ্যবাহী, ভিডিঅ' অভিযন্তা,ভিজন ক ণ্ট্ৰ'ল অপাৰেটৰ, পোহৰ অভিযন্তা, কেমেৰা পাৰ্চন, ভিজন মিক্সাৰ, মেক্আপ তত্ত্বাৱধায়ক, অনুষ্ঠান সহকাৰী, অডিঅ' কণ্ট্ৰোল মেনেজাৰ, মাইক্ বুম অপাৰেটৰ, পাণ্ডুলিপি লেখোতা ইত্যাদি।

৬.৬ ৰাজহুৱা সেৱা সম্প্ৰচাৰক ৰূপে দূৰদৰ্শনৰ ভূমিকা

ৰাজহুৱা সেৱা সম্প্ৰচাৰক ৰূপে দূৰদৰ্শনৰ ভূমিকা হ'ল সকলোৰে ঘৰে ঘৰে তথ্য সুলভ কৰি তোলা। ইয়াৰ এক সৰ্বব্যাপ্ত আবেদন আছে। ই ৰাইজৰ বাবে ভাৰসাযোগ্য, মনো�ৰঞ্জন প্ৰদানকাৰী আৰু তথ্য সমৃদ্ধ। চিন্তা উদ্ৰেককাৰী সম্প্ৰচাৰ অনুষ্ঠান আৰু দৰ্শকৰ কাষ চপা অন্য প্ৰকল্পৰ সহায়ত ই সমাজৰ সকলো সম্প্ৰদায়কে ব্যস্ত ৰাখিব খোজে। সম্প্ৰদায়বোৰক সামাজিকভাৱে, সাংস্কৃতিকভাৱে আৰু অৰ্থনৈতিক দিশেৰে উন্নত কৰি তুলিব পৰা তথ্য আৰু অৱধাৰণাবোৰক ই এক সংহত ৰূপত সম্প্ৰচাৰিত কৰে। দূৰদৰ্শনে ইয়াৰ বিভিন্ন অনুষ্ঠানৰ সহায়ত পৰম্পৰাগত, ভৌগলিক তথা আনুষ্ঠানিক চাৰিসীমাৰ বাহিৰৰ নানা সাম্প্ৰদায়িক প্ৰয়োজনীয়তা পূৰণত সহায় কৰি আহিছে। ভাৰতৰ দৰে নিৰক্ষৰতা, ৰাজহুৱা স্বাস্থ্য, খাদ্য সুৰক্ষা আদিৰ দৰে বৃহৎ সমস্যাৰে জৰ্জৰিত দেশ এখনত দূৰদৰ্শনে দায়িত্বশীল নাগৰিক গঢ়ি তোলাত এক তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰি অহাৰ লগতে অধিক লোকক তৃণমূল পৰ্যায়ত নিজ নিজ সম্প্ৰদায়ৰ উন্নয়নৰ কামত জড়িত হ'বলৈ উৎসাহিত কৰি আহিছে। দূৰদৰ্শনে অসংখ্য ৰাজহুৱা সেৱা বিষয়ক বিজ্ঞাপন সম্প্ৰচাৰ কৰে। যেনে- প'লিঅ' নিৰ্মূল অভিযান, উপভোক্তাৰ অধিকাৰ বিষয়ক সজাগতা অভিযান, শিশু শ্ৰমিক প্ৰথাৰ বিলোপসাধন, ডিজিটেল ভাৰত আৰু নগদ ধনবিহীন অৰ্থনীতি গঢ়াৰ অভিযান, স্বচ্ছ ভাৰত অভিযান আদি। ভাৰতৰ দৰে বিশাল দেশত ৰাজহুৱা সেৱা সম্প্ৰচাৰে বৈচিত্ৰময় দৰ্শক, সংস্কৃতি আৰু ভাষালৈ সেৱা আগবঢ়াই আহিছে। দূৰদৰ্শনেও ভাৰতৰ লাখ লাখ পৰিয়ালৰ বাবে এক সক্ৰিয় সামাজিক ধাৰাভাষ্যকাৰ তথা দিক্ নিৰ্দেশকৰ ভূমিকা পালন কৰি আহিছে। ১৯৯০ চনৰ প্ৰসাৰ ভাৰতী আইনৰ ১২ নং অনুচ্ছেদৰ মতে প্ৰসাৰ ভাৰতীৰ মৌলিক দায়িত্ব হ'ল "ৰাইজক তথ্য অৱগত কৰোৱালৈ, শিক্ষিত কৰি তুলিবলৈ আৰু মনো�ৰঞ্জন প্ৰদান কৰিবলৈ

ৰাজহুৱা সেৱা সম্প্ৰচাৰ কৰা সেৱাবোৰক সংগঠিত তথা পৰিচালিত কৰা।" ৰাজহুৱা স্বাৰ্থজড়িত সকলো বিষয়ত নাগৰিক মুক্তভাৱে, যথাৰ্থ ভাৱে আৰু বস্তুনিষ্ঠভাৱে তথ্য জনাৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰাৰ লগতে এটা ৰাজহুৱা সেৱা সম্প্ৰচাৰক ৰূপে প্ৰসাৰ ভাৰতীৰ বিশেষ দায়ৱদ্ধতা হ'ল ব্যৱসায়িক সম্প্ৰচাৰকসকলে আওকাণ কৰা সেৱা সমূহৰ প্ৰতি মনোযোগ দিয়া। এনে সেৱা দুটামান হ'ল- গ্ৰামোন্নয়ন, শিক্ষা, কৃষিভিত্তিক উন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ইত্যাদি। এটা ৰাজহুৱা সোৱ সম্প্ৰচাৰক ৰূপে দূৰদৰ্শনে সামাজিক ন্যায়ৰ পোষকতাত এক তাৎপৰ্যপূৰ্ণ ভূমিকা লৈ আহেছে। লগতে ই অস্পৃশ্যতাৰ দৰে সমস্যা নিৰ্মূল কৰাত আৰু নাৰীৰ সামাজিক প্ৰস্থিতি তথা সমস্যাবোৰৰ বিষয়ে সজাগতা সৃষ্টিতো আগভাগ লৈছে। দূৰদৰ্শনে বিভিন্ন উন্নয়নমূলক আৰ্হিক লৈ নিৰ্মিত নানা ধৰণৰ সামাজিক বাস্তৱৰ অনুষ্ঠান (Social Reality Show) ও সম্প্ৰচাৰিত কৰি আহিছে।

এটা ৰাজহুৱা সেৱা সম্প্ৰচাৰক ৰূপে দূৰদৰ্শনৰ উদ্দেশ্যসমূহ চমুকৈ এনেধৰণৰ-

(ক) ৰাষ্ট্ৰীয় সংহতি বৰ্তাই ৰখা

(খ) সামাজিক পৰিৱৰ্তনৰ অনুঘটক হিচাপে কাম কৰা

(গ) মানুহৰ মনত বিজ্ঞানসনষ্কতা জগাই তোলা

(ঘ) পৰিৱেশ আৰু পাৰিপাৰ্শ্বকেন্দ্ৰিক সমতা বিষয়ক তথ্য প্ৰচাৰত সহায়-সমৰ্থন কৰা।

(ঙ) নাৰী সবলীকৰণ আৰু সমাজ কল্যাণ ব্যৱস্থাবোৰৰ সৈতে জড়িত সমস্যাবোৰ উত্থাপন কৰা

(চ) দৰ্শকৰ খেল-ধেমালি আৰু ক্ৰীড়ৰ আগ্ৰহ বৃদ্ধি কৰা

(ছ) সামূহিক সমন্বয়ৰ মনোভাৱ জগাই তোলা আৰু ৰাষ্ট্ৰীয় সংহতিৰ বিন্যাসটো বৰ্তাই ৰখা।

৬.৭দূৰদৰ্শনৰ পাৰদৰ্শিতা মূল্যাংকন

অধিকাংশ ব্যক্তিগত সম্প্ৰচাৰকে বজাৰ শক্তি আৰু দৰ্শকৰ পছন্দৰ আধাৰত পাৰদৰ্শিতাৰ মূল্যাংকন কৰে। কেন্দ্ৰীয় চৰকাৰৰ সুৰক্ষা ছায়াত পৰিচালিত দূৰদৰ্শনৰ পাৰদৰ্শিতা মূল্যাংকনত বিভিন্ন কাৰকে বাধাৰ সৃষ্টি কৰে। এই কাৰকবোৰ হ'ল-

(ক) কোনটো দৃষ্টিভংগীৰে প্ৰয়োজনীয় মূল্যাংকনটো কৰা হ'ব

(খ) মূল্যাংকনৰ উদ্দেশ্য কি

(গ) মূল্যাংকনৰ সময় আৰু স্থান

(ঘ) মূল্যাংকনৰ ভৌগলিক বিক্ষিপ্ততা

দূৰদৰ্শনৰ পাৰদৰ্শিতা মূল্যাংকন কৰাটো এক জটিল কাম। ইয়াৰ কাৰণ হ'ল পাৰদৰ্শিতা শিতানটোত দেখা দিব পৰা আঞ্চলিক তাৰতম্য। এটা ৰাষ্ট্ৰীয় ৰাজহুৱা সেৱা সম্প্ৰচাৰক হিচাপে দূৰদৰ্শনে বিভিন্ন ভাষা আৰু নৃগোষ্ঠীয় সম্প্ৰদায়ৰ লোকলৈ সেৱা আগবঢ়ায়। অল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদৰ্শনৰ পাৰদৰ্শিতা মূল্যাংকন পৃথক পৃথককৈ কৰা হয়। ইয়াৰ কাৰণ হ'ল শ্ৰোতা-দৰ্শকৰ অৰ্থনৈতিক প্ৰস্থিতিৰ মাজত থকা পাৰ্থক্য। দূৰদৰ্শনৰ পাৰদৰ্শিতা মূল্যাংকন কৰিবলৈ মতামত সমীক্ষা চলোৱা হয়। ইয়াৰ উপৰি ই স্বতন্ত্ৰ গৱেষণা অভিকৰণবোৰক লঘু গৱেষণা প্ৰকল্প সম্পাদন

কৰিবলৈ দি এনে প্রকল্পবোৰ বিবেচনা কৰি চায়।

দূৰদশ্চ্ছনৰ পাৰদশিচ্ছতা মূল্যাংকনৰ সময়ত দুটা প্রধান দিশৰ প্রতি মনোযোগ দিয়া হয়-

(ক) দূৰদর্শনৰ অনুষ্ঠানবোৰৰ মূল্যাংকন আৰু

(খ) সম্প্রচাৰ মাধ্যমৰ আত্মপ্রকাশৰ কালৰে পৰা বর্তমানলৈকে হোৱা বিত্তীয় আবণ্টন আৰু প্রযুক্তিগত বিকাশ।

৬.৮ ৰাজহুৱা সেৱা সম্প্রচাৰৰ সমস্যা

ৰাজহুৱা সেৱা সম্প্রচাৰৰ ক্ষেত্রত থকা দুটামান প্রধান সমস্যা হ'লঃ

(ক) নতুন প্রযুক্তিৰ শেহতীয়া ব্যৱস্থাবোৰ পৰিচালনা কৰাৰ কামত হোৱা ব্যয় ঃ সম্প্রচাৰ ক্ষেত্রখনত প্রযুক্তিগত বিকাশ ঘটাৰ লগে লগে বহুতো ৰাজহুৱা সেৱা সম্প্রচাৰকে প্রয়োজনীয় প্রতিদ্বন্দ্বিতদা আগবঢ়াব নোৱাৰা হৈ পৰিছে। কাৰণ, প্রতিটো সম্প্রচাৰ ব্যৱস্থাই পৰিৱর্তনশীল সময়ৰ সৈতে মিলাকৈ নিজৰ প্রযুক্তিভিত্তিক আন্তঃগাঁথনিবোৰক আধুনিক তথা শেহতীয়া ৰূপ দিবলগীয়া হৈছে। কিন্তু প্রসাৰ ভাৰতীৰ দৰে ৰাজহুৱা সেৱা সম্প্রচাৰকসকলে আধুনিকীকৰণ প্রক্রিয়া আৰম্ভ কৰিবলৈ চৰকাৰৰ পৰা পর্যাপ্ত পুঁজি লাভ কৰা উচিত। চৰকাৰী অভিকৰণবোৰৰ এইবিত্তীয় সাহায্য বিচাৰিবলগীয়া হোৱাটোৱে এক ধৰণৰ নির্ভৰশীলতাৰ সৃষ্টি কৰে। ফলত এনে সম্প্রচাৰকে প্রযুক্তিগত বিকাশৰ সৈতে নিজকে খাদ খুৱাই লোৱাত বাধা পায়। কিন্তু ব্যক্তিগত সম্প্রচাৰক সকলৰ ধন সংগ্রহৰ আর্হিটো পৃথক বাবে তেওঁলোকে সহজে প্রয়োজনীয় পুঁজি গোটাব পাৰে।

(খ) প্রযুক্তিৰ কার্যৰূপায়ণত দেখা সমস্যা ঃ সম্প্রচাৰৰ মান উন্নত কৰিবলৈ সম্প্রচাৰ সংস্থাবোৰক অত্যাধুনিক প্রযুক্তিৰ প্রয়োজন। কিন্তু এই প্রযুক্তিবোৰক সর্বাধিক সুফলদায়ক ভাৱে কামত ব্যৱহাৰ কৰাৰ ক্ষেত্রত সমস্যাই দেখা দিয়ে। কোনো এটা প্রযুক্তি সহজলক্ষ্য হ'লেই তাৰ প্রচলন আৰম্ভ কৰা উচিত নহয়। ইয়াৰ এটা বাস্তৱ উদাহৰণ হ'ল ভাৰতৰ চাৰিওখন মহানগৰত আৰম্ভ কৰা DTT সেৱাৰ বিফলতা। ছেনেলৰ সংখ্যাৰ ক্ষেত্রত থকা সীমাৱদ্ধতাৰ বাবে (Digital Terrestrial Transmission) ৰ বহু গ্রাহকে সময় বাগৰাৰ লগে লগে টাটা স্কাই, ডিশ্য টি ভি, এয়াৰটেল টিভি আদিৰ দৰে ব্যক্তিগত টেলিভিছন সেৱা বিতৰকৰ সেৱা গ্রহণ কৰিবলৈ লৈছে। আকৌ, ডিজিটেল সম্প্রচাৰ উপভোগ কৰিবলৈ গ্রাহকে অতিৰিক্তভাৱে 'চেট টপ বক্স'ৰ নামত ধন ভৰিবলগীয়া হয়। অর্থাৎ, বিতৰণ মঞ্চত প্রযুক্তিগত বিকাশে DTT মঞ্চৰ সফলতা নির্ণয় নকৰিলে। ৰাজহুৱা সেৱা সম্প্রচাৰকসকলে সম্প্রচাৰ কৰিব লগীয়া বিষয়বস্তুলৈ নতুনত্ব অনাৰ আৰু উদ্ভাৱনীমূলক পন্থা ব্যৱহাৰৰ উপায় চিন্তা কৰিব লাগিব।

(গ) চৰকাৰৰ সামগ্রী ক্রয় প্রক্রিয়া বিষয়ক ইচ্ছাৰ সমস্যা ঃ চৰকাৰৰ সামগ্রী ক্রয় প্রক্রিয়াবোৰে অত্যাধুনি যন্ত্র-পাতি কিনাৰ সময়ত সমস্যাৰ সৃষ্টি কৰে। অনুষ্ঠান প্রযোজনা আৰু পৰিৱেশনৰ উৎকর্ষতাক ই প্রত্যক্ষভাৱে প্রভাৱিত কৰে। কিন্তু, ব্যক্তিগত সম্প্রচাৰকসকল এনে ধৰণৰ অন্তৰায়ৰ

সন্মুখীন হ'বলগীয়া নহয়।

(ঘ) অন্য সমস্যা ঃ ৰাজহুৱা সেৱা সম্প্ৰচাৰৰ সৈতে জড়িত বহুতো স্থায়ী আৰু জ্যেষ্ঠ বিষয়া-কৰ্মচাৰীক ব্যক্তিগত সেৱা সম্প্ৰচাৰকে অধিক বেতন দি নিজৰ ফলীয়া কৰে। ই ৰাজহুৱা সম্প্ৰচাৰ ক্ষেত্ৰখনত অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰৰ দক্ষতা লোকৰ নাটনি ঘটায়।

৬.৯ এটা উপযুক্ত ৰাজহুৱা সেৱা নীতি প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তা

এখন চৰকাৰৰ এক্তিয়াৰৰ ভিতৰত বসবাস কৰা লোকক চৰকাৰে আগবঢ়োৱা সেৱাবোৰেই হ'ল ৰাজহুৱা সেৱা। এনে সেৱাবোৰ উপাৰ্জন, শাৰীৰিক সক্ষমতা আৰু মানসিক বুদ্ধি-বৃত্তিৰ মাত্ৰা নিৰ্বিশেষে সকলোলৈকে আগবঢ়োৱা হয়। 'ৰাজহুৱা সেৱা' অভিধাটো শিক্ষা, স্বাস্থ্য যত্ন, পৰিবহন, সম্প্ৰচাৰ, সমাজসেৱা আৰু টেলি-সংযোগৰ দৰে বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত।

সম্প্ৰচাৰ ক্ষেত্ৰখনত উপযুক্ত ৰাজহুৱা সেৱা নীতিৰ সৈতে এটা ভৱিষ্যৎ দৃষ্টি সংলগ্ন কৰা উচিত। এটা উপযুক্ত ৰাজহুৱা সেৱা নীতি যুগুত কৰাৰ বাবে সকলো শ্ৰেণীৰ দৰ্শকৰ সৈতে সংযোগ স্থাপন কৰাটো হ'ল পূৰ্ব-পৰিকল্পনাৰ এক গুৰুত্বপূৰ্ণ অংশ। এটা সফল ৰাজহুৱা সেৱা নীতি যুগত কৰাৰ প্ৰথম চৰ্ত হ'ল দৰ্শকক আগস্থানত ৰখা। ভাৰতৰ দৰে দেশত ৰাজহুৱা সেৱা সম্প্ৰচাৰৰ তাৎপৰ্য দিনে দিনে বাঢ়ি গৈ আছে। বিনামূলীয়া আকাশী তৰংগ সাৰ্বজনীন ব্যৱহাৰৰ বাবে সুচল হৈ পৰাৰ লগে লগে আগতকৈ যথেষ্ট অধিক লোকে প্ৰয়োজনীয় তথ্য আহৰণ কৰিব পৰা হৈছে। মানুহে এতিয়া চৰকাৰৰ উন্নয়নমূলক পৰিকল্পনা আৰু সমৰ্থন কৌশলবোৰৰ সৈতে সংযোগ স্থাপন কৰিব পৰা হৈছে। এটা ফলপ্ৰসূ ৰাজহুৱা সেৱা নীতিয়ে ভাৰতীয়সকলক বিশেষকৈ সাংস্কৃতিক দিশেৰে বিচিত্ৰ প্ৰমূল্যসমূহ প্ৰতিফলিত কৰাত সহায় কৰিব। এনে সাংস্কৃতিক প্ৰমূল্যসমূহ ভাষিক, ধৰ্মীয় আৰু সকলো বয়স গোটৰ দৰ্শকৰ আঞ্চলিক প্ৰয়োজনীয়তা হ'ব পাৰে। সপ্তাহটোৰ সাতটা দিনতেই চৌব্বিশ ঘণ্টাই সংবাদ চক্ৰ আৰু অতি-সংবাদ () সম্প্ৰচাৰিত হৈ থকা সময়ত তথ্যৰ ভাৰসাযোগ্যতা অতি গুৰুত্বপূৰ্ণ। এটা ৰাষ্ট্ৰীয় ৰাজহুৱা সেৱা সম্প্ৰচাৰকে সদায় ন্যায়সংগত আৰু স্বচ্ছ উপায়েৰে ইয়াৰ সম্প্ৰচাৰ আগবঢ়াই নিয়াটো আৱশ্যক।

এটা উপযুক্ত ৰাজহুৱা সেৱা নীতি প্ৰস্তুত কৰাৰ সময়ত নীতিটোক উন্নয়নশীল ৰাষ্ট্ৰৰ পটভূমিত বিচাৰ কৰি চোৱা উচিত। উন্নয়নৰ ধাৰণাটে সদায় অংশগ্ৰহণমূলক গণতন্ত্ৰৰ ধাৰণাটোৰ অংগাংগীৰূপে থাকে। ৰাজহুৱা সেৱা সম্প্ৰচাৰকে সাৰ্বজনীন সেৱা, সম্পাদকীয় অনুষ্ঠান, অন্য অনুষ্ঠান প্ৰস্তুতিৰ সময়ত থকা স্বাধীনতা আৰু ৰাজহুৱা ভাৰসাযোগ্যতা অটুট ৰখাৰ প্ৰতি সজাগ হৈ থাকিব লাগিব। ৰাজহুৱা সেৱা নীতিয়ে পৰম্পৰাগত ইতিহাচক ভাৱধাৰা আৰু অনুশীলনবোৰ বৰ্তাই ৰখাৰ লগতে সমাজৰ পৰিৱৰ্তনশীল দিশবোৰো প্ৰতিফলিত কৰিব লাগিব।

ৰাজহুৱা সেৱা কাৰ্যসূচীবোৰে বাটকটীয়াৰ ভূমিকা লৈ একো একোটা স্বীকৃত মান গঢ়ি তোলাৰ লগতে নাগৰিককেন্দ্ৰিক, দৰ্শকক চাবলৈ বাধ্য কৰোৱা, সৃজনশীল তথা অত্যাধুনিক বিষয়বস্তুৰ অনুষ্ঠান সম্প্ৰচাৰৰ পথ প্ৰশস্ত কৰিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ দূৰদৰ্শনে কোনবোৰ প্ৰধান প্ৰযুক্তিগত পৰিৱৰ্তনৰ স্তৰ পাৰ কৰিছে?

.....

.....

.....

প্ৰশ্ন ২ ঃ ভাৰতত ৰাজহুৱা সেৱা সম্প্ৰচাৰকে সন্মুখীন হোৱা সমস্যাবোৰৰ এটা চমুটোকা লিখক।

.....

.....

.....

প্ৰশ্ন ৩ ঃ এটা ৰাজহুৱা সেৱা সম্প্ৰচাৰক ৰূপে দূৰদৰ্শনৰ ভূমিকা আৰু দায়িত্বোৰ কি?

.....

.....

.....

প্ৰশ্ন ৪ ঃ দূৰদৰ্শনৰ সাংগঠনিক সংৰচনাটো চমুকৈ লিখক।

.....

.....

.....




৬.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজহুৱা সেৱা সম্প্ৰচাৰত ডিজিটেল কম্প্ৰেশ্যন প্ৰযুক্তি ব্যৱহাৰ কৰা হয়। কাৰণ, এনলে'গ পদ্ধতিতকৈ এই ডিজিটেল পদ্ধতিটোত বেণ্ডৱিথ (bandwidth) কমকৈ ব্যৱহৃত হয়। প্ৰচাৰ মাধ্যমবোৰৰ সমধৰ্মিতা (Convergence)ৰ বাবে অনুষ্ঠান প্ৰযোজনা, সংকেত প্ৰেৰণৰ আন্তঃগাঁথনি আৰু উৎকৃষ্ট চূড়ান্ত ফলাফল আদিৰ ক্ষেত্ৰত প্ৰযুক্তিগত অগ্ৰগতি লাভ কৰিব পৰা গৈছে।
- সংবাদ বুলেটিনৰ পাছতেই দূৰদৰ্শনে সম্প্ৰচাৰিত কৰা প্ৰথম অনুষ্ঠানটো আছিল 'কৃষিদৰ্শন'। ১৯৬৭ চনৰ ২৬ জানুৱাৰীতপোন প্ৰথমবাৰৰ বাবে সম্প্ৰচাৰিতএইটো হ'ল ভাৰতীয় টেলিভিছনৰ সৰ্বাধিক দিনৰ বাবে সম্প্ৰচাৰিত হৈ থকা অনুষ্ঠানবোৰৰ এটা। ১৯৭৭


চনত দেশৰ ১০০ মিলিয়নতকৈও অধিক বাসিন্দাক টেলিভিছন সেৱাৰযোগান ধৰাটো সম্ভৱপৰ কৰি তোলাৰ উদ্দেশ্য আগত ৰাখি জয়পুৰ, হায়দৰাবাদ, ৰায়পুৰ, গুলবৰ্গা, চম্ভলপুৰ আৰু মুজাফ্ফৰপুৰত টেৰেষ্ট্ৰিয়েল ট্ৰান্সমিটাৰ বহুওৱা হৈছিল।

- বৰ্তমান দূৰদৰ্শনে ৩৪ টা ছেনেলৰ সহায়ত অনুষ্ঠান সম্প্ৰচাৰ কৰে। ইয়াৰে 'DD National' আৰু 'D D News' ছেনেল দুটা সৰ্বভাৰতীয় পৰ্যায়ৰ। ইয়াৰ উপৰিও দূৰদৰ্শনৰ ১৬ টা আঞ্চলিক চেটেলাইট ছেনেল আৰু এটা স্পোৰ্টৰ্চ ছেনেল, ১১ টা ৰাজ্যিক নেটৱৰ্ক, 'DD Bharali DD Urder আৰু DD Kisan ৰ লগতে DD India নামৰ এটা আন্তঃৰাষ্ট্ৰীয় ছেনেল আছে
- এনাল'গ টেলিভিছন (analog television) ৰ তুলনাত ডিজিটেল টেৰেষ্ট্ৰিয়েল টেলিভিছন (DTT/স্থলভাগেদি প্ৰেৰণ কৰা ডিজিটেল টেলিভিছন সংকেত)ৰ অসংখ্য সুবিধা আছে। যেনে, DTT ৰ জৰিয়তে একাধিক ছেনেলৰ সংকেত প্ৰেৰণ কৰিব পৰা যায়। এনে সংকেত অধিকাংশ সময়তে উন্নততৰ মানৰ আৰু প্ৰায় সকলো গ্ৰাহক যন্ত্ৰতে একেৰূপী মানৰ সংকেত গ্ৰহণ কৰা হয়। DTT ৰ সংকেত চলি থকা যান-বাহনৰ গ্ৰাহক যন্ত্ৰয়ো ধৰা পেলাব পাৰে আৰু এনে সংকেত গ্ৰহণকাৰী যন্ত্ৰবোৰক যথেষ্ট কম পৰিমাণৰ শক্তিৰ প্ৰয়োজন। ইয়াৰ উপৰি DTT হ'ল এটা উচ্চমানৰ তৰংগ বৰ্ণলী পাহদৰ্শী (highly Spectrum Efficient) ব্যৱস্থা।



৬.১১ অধিক জানিবলৈ

- Singhal, A. and Rogers, E. (2000). *India's Communication Revolution: from Bullock Carts to Cyber Marts*, 1st. edition: Sage India
- Khandekar, Vanita (2017). *The India Media Business,* 4th edition: Sage India
- Kumar, Keval (1998). *Mass Communication in India*, 4th edition. Jiaco Publishing House
- Hasan, Seema (2013). *Mass Communication: Principles and Concepts*, 2nd edition. CBS Publishers
- MacCabe, C. and Stewart, O. (1986). *B. B. C. and Public Service Broadcasting.* Manchester University Press.



৬.১২ অগ্ৰগতিৰ খতিয়ান

১। নং প্ৰশ্নৰ উত্তৰঃ দূৰ্দৰ্দনে ডিজিটেল সমধমিচ্ছুতাৰ দিশত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। ই দূৰদৰ্শনক অনুষ্ঠান প্ৰযোজনা, সংকেত পৰিবহনৰ আন্তঃগাঁথনি আৰু চূড়ান্ত ফলাফলৰ সৈতে জড়িত দিশবোৰত প্ৰযুক্তিগত বিকাশ ঘটোৱাত সহায় কৰিছে। বৰ্তমান সময়ত তথ্য াৰু সংযোগ প্ৰযুক্তিবোৰৰ তাৎপৰ্যপূৰ্ণ বিকাশ ঘটিছে। লাহে লাহে সম্প্ৰচাৰ, টেলি-সংযোগ আৰু মাল্টিমিডিয়া সেৱাবোৰৰ মাজৰ প্ৰভেদ অস্পষ্ট হ'বলৈ ধৰিছে।

২। নং প্ৰশ্নৰ উত্তৰঃ ৰাজহুৱা সেৱা সম্প্ৰচাৰকসকলে প্ৰায়েই নতুন প্ৰযুক্তিৰ শেহতীয়া ব্যৱস্থাবোৰ পৰিচালনা কৰাৰ কামত হোৱা ব্যয়ৰ ক্ষেত্ৰত অসুবিধাত পৰে। তেওঁলোকে বেছিভাগ সময়তে চৰকাৰে পুঁজি মোকলাই নিদি সৃষ্টি কৰা সমস্যাৰ সৈতেও যুঁজিবলগীয়া হয়। কিন্তু ইয়াৰ বিপৰীতে ব্যক্তিগত সম্প্ৰচাৰসকলে প্ৰয়োজন অনুসৰি শেহতীয়া প্ৰযুক্তিৰ ব্যৱহাৰ আৰম্ভ কৰিব পাৰে।

সপ্তাহটোৰ সাতটা দিনতেই চৌব্বিশ ঘণ্টাই সম্প্ৰচাৰ চক্ৰ চলি থকাৰ যুগত সম্প্ৰচাৰকসকলক অত্যাধুনিক প্ৰযুক্তিৰ প্ৰয়োজন। কিন্তু সমস্যা হ'ল অত্যাধুনিক প্ৰযুক্তিবোৰক সবচ্ছাধিক সুফলদায়ক পদ্ধতিৰে ব্যৱহাৰ কৰাটো। প্ৰায়েই দেখা যায়, ৰাজহুৱা সেৱা সম্প্ৰচাৰকসকল এই ক্ষেত্ৰত সিমান সফল হ'ব নোৱাৰে।

৩। নং প্ৰশ্নৰ উত্তৰঃ এটা ৰাজহুৱা সেৱা সম্প্ৰচাৰক ৰূপে দূৰদশচ্ছ্ৰনৰ ভুমিকা আৰু দায়িত্ববোৰ হ'ল-

(ক) ৰাষ্ট্ৰীয় সংহতি বৰ্তাই ৰখা

(খ) সামাজিক পৰিৱৰ্তনৰ অনুঘটক হিচাপে কাম কৰা

(গ) মানুহৰ মনত বিজ্ঞানসনষ্কতা জগাই তোলা

(ঘ) পৰিৱেশ আৰু পাৰিপাৰ্শ্বকেন্দ্ৰিক সমতা বিষয়ক তথ্য প্ৰচাৰত সহায়-সমৰ্থন কৰা।

(ঙ) নাৰী সবলীকৰণ আৰু সমাজ কল্যাণ ব্যৱস্থাবোৰৰ সৈতে জড়িত সমস্যাবোৰ উত্থাপন কৰা

(চ) দৰ্শকৰ খেল-ধেমালি আৰু ক্ৰীড়ৰ আগ্ৰহ বৃদ্ধি কৰা

(ছ) সামূহিক সমন্বয়ৰ মনোভাৱ জগাই তোলা আৰু ৰাষ্ট্ৰীয় সংহতিৰ বিন্যাসটো বৰ্তাই ৰখা।

৪। নং প্ৰশ্নৰ উত্তৰঃদূৰদৰ্শনে 'প্ৰসাৰ ভাৰতী' (ভাৰতীয় সম্প্ৰচাৰ নিগম) ৰ অধীনত কাম কৰে। 'প্ৰসাৰ ভাৰতী' হ'ল দেশৰ ৰাজহুৱা সেৱা সম্প্ৰচাৰক আৰু 'আকাশবাণী' তথা 'দূৰদৰ্শন' ইয়াৰ অংশ। কাৰ্যবাহী সদস্যসকলে নিগমৰ মুখ্য কাৰ্যবাহী বিষয়া ৰূপে কাৰ্যসম্পাদন কৰে। মহানিৰ্দেশকসকলে অল ইণ্ডিয়া ৰেডিঅ' মহানিৰ্দেশালয় আৰু দূৰদৰ্শন মহানিৰ্দেশালয়ৰ মুৰব্বী ৰূপে কাৰ্যনিৰ্বাহ কৰে। দূৰদৰ্শনৰ মহানিৰ্দেশক গৰাকীয়ে ৬৭

টা দূৰদৰ্শন কেন্দ্ৰ, তদাৰককাৰী কেন্দ্ৰ আৰু সকলোবোৰ উচ্চ-নিম্ন ক্ষমতাসম্পন্ন ট্ৰান্স মিটাৰৰ সামগ্ৰিকচোৱা-চিতাৰ দায়িত্ব পালন কৰে।

দূৰদৰ্শনৰ মহানিৰ্দেশকগৰাকী হ'ল অনুষ্ঠান আৰু প্ৰশাসন বিভাগৰ মুৰব্বী। তেওঁৰ প্ৰধান কাম হ'ল বিভাগ দুটাৰ তত্বাৱধান লোৱা, দিক্-নিৰ্দেশনা প্ৰদান কৰা, শাসন কৰা আৰু সমগ্ৰ কাম-কাজ নিয়ন্ত্ৰণ কৰা। তেওঁক সহায় কৰিবলৈ তলত উল্লেখ কৰা বিষয়াসকল থাকে-

- অতিৰিক্ত মহানিৰ্দেশক আৰু উপ-মাহনিৰ্দেশক (সংবাদ তথা সাময়িক প্ৰসংগ)
- উপ মহানিৰ্দেশক (সংবাদ তথা সাময়িক প্ৰসংগ)
- উপ মহানিৰ্দেশক (সংযোগ আৰু কথাছবি)
- উপ মহানিৰ্দেশক (অনুষ্ঠান প্ৰযোজনা আৰু সম্প্ৰচাৰ)
- নিৰ্দেশক (বিত্ত তথা ব্যক্তিগত নিয়ন্ত্ৰণ)



৬.১৩ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্নঃ

১। DTT প্ৰযুক্তি মানে কি?

২। সম্প্ৰচাৰত ডিজিটেল প্ৰযুক্তি ব্যৱহাৰৰ সুবিধাবোৰ কি কি?

৩। কোন চনত বোম্বে আৰু অমৃতসৰলৈ দূৰদৰ্শনৰ সেৱা সম্প্ৰসাৰিত কৰা হৈছিল?

৪। দূৰদৰ্শন কোনটো ছেনেলে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাবোৰ সম্প্ৰচাৰ কৰে?

(খ) চুটি প্ৰশ্নঃ (প্ৰায় ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

১। ডিজিটেল সমধৰ্মিতাই দূৰদৰ্শনত পেলোৱা প্ৰভাৱ ব্যাখ্যা কৰক।

২। ৰাজহুৱা সেৱা সম্প্ৰচাৰৰ অৰ্থ কি?

৩। ৰাজহুৱা সেৱাৰ বিজ্ঞাপনবোৰৰ তাৎপৰ্য ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত)

১। ভাৰতত এটা ৰাজহুৱা সেৱা সম্প্ৰচাৰক ৰূপে দূৰদৰ্শনৰ বিকাশ বৰ্ণনা কৰি এটা টোকা প্ৰস্তুত কৰক।

২। ভাৰতত ৰাজহুৱা সেৱা সম্প্ৰচাৰৰ পৰিধি বহল হোৱাত প্ৰযুক্তিগত অগ্ৰগতিৰ তাৎপৰ্য বিশ্লেষণ কৰক।

****